অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : Ref : AJB/FD/01/20

তাৰিখ : Date : 01-01-2020

# 27th Foundation Day celebrated in Assam Jatiya Bidyalay

**Noonmati, Guwahati, 1 January, 2020 :** Assam Jatiya Bidyalay celebrated its 27th Foundation Day today on the school premises. The programme started at 9 am with the hoisting of the school flag where all the teachers, guardians, students and the members of the management committee performed the State National Anthem. After the welcome speech by the Principal Ghanashyam Medhi, everybody present there offered sincere condolences to the departed soul of the noted Assamese Theatre Personality Ratna Ojah. It was followed by the 'Bidyalay Sangeet' performed by some of the teachers of the school. Academic Officer Narendra Mohan Goswami distributed the birthday cards among the students born on January 1. A chorus on Bishnu Rabha Song was performed by some students of the school thereafter. Prominent Assamese actor, director and story writer Tapan Das was present as the chief guest of the day. He wished that the Jatiya Bidyalays all over Assam should take the responsibility to enliven the Assamese culture and the Assamese language. The secretary of the management committee Dr. Narayan Sharma urged everybody present in the foundation day function to limit the use of mobile phones and wished all a very happy and prosperous new year. This was followed by a song performed by one of the guardians Mrs Queen Talukdar. Rector Ranjit Narayan Deka also greeted everybody present in the programme. Vice Principal Aparajita Bora and senior teacher Dhruba Sarma anchored the programme. The programme came to an end with the offering of the vote of thanks by Rabindra Barman, another Vice Principal of the school. Aparajita Bora, Vice Principal of the school was the convenor of the programme.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :অজাবি/প্ৰদি/০১/২০ তাৰিখ :০১/০১/২০২০
*Ref :* *Date :*

## অসম জাতীয় বিদ্যালয়ৰ সপ্তবিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১ জানুৱাৰী, ২০২০** : নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত আজি বিদ্যালয়ৰ সপ্তবিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৯ বজাৰ লগে লগে অধ্যক্ষ ঘনশ্যাম মেধিয়ে বিদ্যালয়ৰ পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পতাকা উত্তোলনৰ লগে লগে সমবেত শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী তথা অভিভাৱক সকলোৱে অসম সংগীত পৰিৱেশন কৰে। ইয়াৰ পিছতে অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ বিশিষ্ট নাট্যবিদ ৰত্ন ওজাৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। ইয়াৰ পিছতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিদ্যালয় সংগীত পৰিৱেশন কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ নৱাগত শিক্ষাৰ্থীসকলক একোপাহি ফুলেৰে বিদ্যালয়লৈ আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। লগতে আজিৰ দিনটোত জন্মদিন থকা বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক জন্মদিনৰ শুভেচ্ছা পত্ৰ প্ৰদান কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে অসমৰ এগৰাকী বলিষ্ঠ অভিনেতা, পৰিচালক, গল্পকাৰ, শিল্পী তপন দাস। বিশিষ্ট অভিনেতাগৰাকীয়ে ভাষণ প্ৰসংগত অসমীয়া ভাষা, কলা-সংস্কৃতিৰ বিভিন্ন দিশত দেখা দিয়া সংকটসমূহ আঁতৰ কৰি বাট দেখুওৱাৰ গুৰু দায়িত্ব জাতীয় বিদ্যালয়ে ল'ব লাগিব বুলি উল্লেখ কৰে। অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই শুভেচ্ছামূলক ভাষণ প্ৰদান কৰি জাতীয় দায়বদ্ধতাসম্পন্ন এটা প্ৰজন্মইহে আমাৰ ভাষা-সংস্কৃতিৰ লগতে জাতিটোক জীয়াই ৰাখিব পাৰিব বুলি মন্তব্য কৰে। এইক্ষেত্ৰত অসমৰ বিভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয় সমূহত অধ্যয়নৰত ছয় লক্ষ্যাধিক শিক্ষাৰ্থীক জাতিটোৰ প্ৰতি দায়বদ্ধ কৰি গঢ়ি তোলাৰ লগতে ভৱিষ্যতে এই সংখ্যা বৃদ্ধিৰ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব বুলি তেওঁ উল্লেখ কৰে। উল্লেখ্য যে এই অনুষ্ঠানতে বিদ্যালয়ত নতুনকৈ যোগদান কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলক আনুষ্ঠানিকভাৱে চিনাকি কৰাই দিয়া হয়। অনুষ্ঠানত বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। প্ৰতিষ্ঠা দিৱসৰ এই অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে বিষ্ণুপ্ৰসাদ ৰাভা ৰচিত এটি সমদলীয় গীত পৰিৱেশন কৰাৰ লগতে বিদ্যালয়ৰ এগৰাকী অভিভাৱিকা কুইন তালুকদাৰেও এটি গীত পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে। এই সমগ্ৰ অনুষ্ঠানটো পৰিচালনা কৰে বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰা আৰু বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ধ্ৰুৱ শৰ্মাই। প্ৰতিষ্ঠা দিৱসৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰা।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০